**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্যৰ ৫টা সমষ্টিত কালি অনুষ্ঠিত উপ-নিৰ্বাচন সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ অনুষ্ঠিত হয়। কোনো কোনো স্থানত দুই এটা বিক্ষিপ্ত ঘটনা সংঘটিত হয় যদিও এনে ঘটনাই ভোটগ্ৰহণ প্ৰক্ৰিয়াত কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। নিৰ্বাচন অনুষ্ঠিত বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই সমষ্টিৰ ভোটগ্ৰহণ কালি বিয়লি ৫ বজাত সামৰণি পৰে। চামগুৰি সমষ্টিত সৰ্বাধিক আৰু বঙাইগাঁও সমষ্টিত সৰ্বনিম্ন ভোটগ্ৰহণ হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে চামগুৰি সমষ্টিত ৭৯ শতাংশ, বিহালী সমষ্টিত ৭৪ শতাংশ, ধলাই সমষ্টিত ৭৩ শতাংশ, চিদলী সমষ্টিত ৭৫ শতাংশ আৰু বঙাইগাঁও সমষ্টিত ৭২ শতাংশ ভোটদান হয়।

কালি ভোটগ্ৰহণৰ লগে লগে ৩৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী হৈছে। ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজেৰে ষ্ট্ৰং ৰূমত ৰখা হৈছে।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে বিদ্যালয় পৰ্যায়ত খালী হৈ থকা ১৫ হাজাৰ ২৬৫টা শিক্ষক পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ২০২৩ চনৰ ডিচেম্বৰ মাহত বিজ্ঞাপন প্ৰকাশ হোৱা ৫ হাজাৰ ৫৫০টা প্ৰাথমিক শিক্ষক পদ পূৰণৰ বাবে প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পাছত মাধ্যমিক পৰ্যায়ত শিক্ষকৰ অভাৱ দূৰ কৰিবলৈ শিক্ষা বিভাগে ৯ হাজাৰ ৭১৭টা পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিছে। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে মাধ্যমিক স্তৰত চৰকাৰী আৰু প্ৰাদেশিকৃত বিদ্যালয়ত স্নাতকোত্তৰ আৰু স্নাতক শিক্ষকৰ পদত নিযুক্তিৰ বাবে আবেদনৰ সময় বৃদ্ধি কৰিছে। বৰ্ধিত সময় অনুসৰি অনলাইনৰ জৰিয়তে প্ৰাৰ্থীসকলে অহা ২০ নৱেম্বৰৰ মাজনিশা পৰ্যন্ত আবেদন জনাব পাৰিব।

০০০০০০

তিনিচুকীয়া আৰক্ষী প’ক’চ গোচৰৰ ক্ষীপ্ৰ তদন্ত কৰি সফলতা অৰ্জন কৰাৰ বাবে দুগৰাকী মহিলা আৰক্ষী বিষয়া লবিতা দাস আৰু গৌৰী কমল হাজৰিকাক অভিনন্দন জ্ঞাপন কৰিছে। গোচৰ উপ-পৰিদৰ্শক দুগৰাকীয়ে কৰা তিনিচুকীয়া জিলাৰ বৰডুবি আৰক্ষী থানা আৰু তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ গোচৰৰ তদন্তৰ ভিত্তিত দোষীয়ে শাস্তি লাভ কৰে। বৰডুবিৰ গোচৰৰ দোষীয়ে ২০ বছৰ কাৰাদণ্ড লাভ কৰাৰ লগতে তিনিচুকীয়া সদৰ আৰক্ষী থানাত ৰুজু হোৱা গোচৰৰ দোষীয়ে ৫ বছৰৰ কাৰাদণ্ড লাভ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু অসম মৰাণ সভাৰ যৌথ উদ্যোগত আৰু মৰাণ জনজাতি আটাইকেইটা সংগঠনৰ সহযোগত অহা ১৯ আৰু ২০ নৱেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বীৰ ৰাঘৱ

মৰাণ দিৱস আয়োজনৰ প্ৰস্তুতি চলাইছে। তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ সমীপৰ কাকজানত এইবাৰ বীৰ ৰাঘৰ মৰাণ দিৱস ২০২৪ৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত জিলা আয়ুক্তৰ সভাপতিত্বত জিলা উন্নয়ন সমিতিৰ বৈঠকখন কালি অনুষ্ঠিত হয়। সভাত জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। সভাত কৃষি, মীন, জলসম্পদ, লোকনিৰ্মাণ, পৰিবহণ, শক্তি, খাদ্য আৰু অসামৰিক যোগান, জনস্বাস্থ্য কাৰিকৰী, শ্ৰম, পশুপালন, জলসিঞ্চন, আবকাৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভিন্ন বিভাগৰ কাম-কাজৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ মুৰববী বিষয়াসকলৰ লগত বিতংভাৱে আলোচনা কৰে। তদুপৰি বিভাগীয় বিষয়াসকলে নিজৰ বিভাগীয় কাম-কাম অগ্ৰগতিৰ বিষয়ে অৱগত কৰে। তদুপৰি জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ সকলো বিষয়া-কৰ্মচাৰীয়ে চৰকাৰী নিয়ম অনুসৰি পুৱা চাৰে ৯ বজাত উপস্থিত হৈ কাৰ্যালয়ৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ সন্দৰ্ভত বুজ লয়।

০০০০০০

মধুমেহ ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্বৰ ভিন্ন স্থানত বিশ্ব মধুমেহ দিৱসৰ আয়োজন কৰা হৈছে। প্ৰতি বছৰে এই দিৱসৰ জৰিয়তে মধুমেহ ৰোগ প্ৰতিৰোধ , আগতীয়াকৈ ৰোগ নিৰ্ণয় আৰু ফলপ্ৰসূ ব্যৱস্থাপনাৰ বাবে উপযুক্ত সা-সুবিধাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হয়। এইবেলি "ব্ৰেকিং বেৰিয়াৰছ, ব্ৰীজিং গেপছ" শীৰ্ষক মুলমন্ত্ৰৰে বিশ্ব মধুমেহ দিৱস পালন কৰা হৈছে। প্ৰতিগৰাকী ৰোগীয়ে যাতে উচ্চমানৰ আৰু সুলভ মূল্যৰ চিকিৎসাৰ সুবিধা লাভ কৰে তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০

দক্ষিণ আফ্ৰিকাৰ ছুপাৰস্প ’ৰ্ট উদ্যানত অনুষ্ঠিত টি টুৱেন্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগীতাৰ চাৰিখনীয়া শৃংখলাৰ তৃতীয়খন খেলত কালি নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ১১ৰাণত পৰাজিত কৰে। ভাৰতে এই জয়ৰ পাছত চাৰিখনীয়া শৃংখলাত ২-১ ফলাফলত অগ্ৰগতি লাভ কৰিছে। খেলখনত ভাৰতে ২২০ ৰানৰ বিজয় লক্ষ্য বান্ধি দিছিল। ইয়াৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত বিশ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০৮ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে আয়োজক দলটোৱে টছত জয়লাভ কৰি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত বিশ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১৯ ৰান সংগ্ৰহ কৰে। খেলখনত তিলক বৰ্মাই ৫ ৬ টা বলত অপৰাজিত ১০৭ ৰান আৰু অভিষেক শৰ্মাই ২৫টা বলত ৫০ ৰান সংগ্ৰহ কৰে। আয়োজক দলটোৰ হৈ এণ্ডিলে ছিমেলানে আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মাৰ্কো জান্সেনে এটা উইকেট দখল কৰে। ভাৰতৰ হৈ আৰ্শদীপ সিঙে ৩টা ,

বৰুণ চক্ৰৱৰ্তীয়ে দুটা, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে এটাকৈ উইকেট দখল কৰে। তিলক বৰ্মাক প্লেয়াৰ অফ দা মেটচ সন্মান প্ৰদান কৰা হয়। শুকুৰবাৰে জোহান্সবাৰ্গৰ ৱাণ্ডাৰাৰছ ষ্টেডিয়ামত শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**